অধ্যায় ৮ ঃ যোগাযোগৰ দৃষ্টিকোণ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ গণসংযোগ অধ্যয়নত মূলসুঁতিৰ দৃষ্টিকোণসমূহ
৮.৪ যোগাযোগ প্ৰভাৱ দৃষ্টিকোণ (Communication Effects Approach)
৮.৫ গণমাধ্যম আৰু আধুনিকীকৰণ
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্ৰগতিৰ খতিয়ান
৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যোগাযোগৰ প্ৰভাৱ দৃষ্টিকোণসমূহৰ বিষয়ে জানিব পাৰিব ।
- গণমাধ্যম আৰু আধুনিকীকৰণ দৃষ্টিভংগীৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

১৯৪০ চন মানৰ পৰা যোগাযোগৰ ক্ষেত্ৰত ন-ন বিভিন্ন মাধ্যমৰ সৃষ্টিয়ে, বিশাল জনগণক স্পৰ্শ আৰু সংযোগ কৰিব পৰাকৈ গণসংযোগৰ নতুন মাধ্যমসমূহ সফল হ'ল। এইসমূহৰ ভিতৰত ছপা মাধ্যম, চিনেমা, টি.ভি., ৰেডিঅ', ৰেকৰ্ড সংগীত, ইণ্টাৰনেট, সামাজিক মাধ্যম ইত্যাদিবোৰৰ কথা ক'ব পাৰি।

গৱেষকসকলে বেছ কিছু সময় ধৰি গণসংযোগৰ ক্ষেত্ৰখন অধ্যয়ন কৰি আহিছে যদিও তেওঁলোকে কেনেধৰণৰ আৰ্হি (model) লৈ অধ্যয়ন কৰিছে সিও এক বিচাৰ্যৰ বিষয়। প্ৰাথমিক অৱস্থাত গৱেষকসকলে গণমাধ্যম অধ্যয়নৰ বাবে যি দৃষ্টিকোণ লৈছিল তাক সাম্প্ৰতিক সময়ত মুলসুতিৰ দৃষ্টিকোণ বা দৃষ্টিভংগী বুলি জনা যায়।

পূৰ্বতে গণসংযোগক একধৰণৰ সজুঁলি হিচাপে ধৰা হৈছিল যাৰ জৰিয়তে বিভিন্ন ব্যক্তিক একগোট কৰি যাতে এটা দল তৈয়াৰ কৰিব পাৰি। কিছু গৱেষকে গণমাধ্যম (প্ৰচাৰ মাধ্যম) ক ধনাত্মক চকুৰে চায় আৰু অন্য কিছুৰে ইয়াক ভয়ঙ্কৰভাৱে ক্ষতিকাৰক বুলি ভাৱে। তাৰোপৰি, গণমাধ্যমৰ (প্ৰচাৰ মাধ্যম) দৃষ্টিভংগী তথা ইয়াৰ লগত জড়িত প্ৰক্ৰিয়াসমূহ আৰু জনসাধাৰণৰ প্ৰতিক্ৰিয়া ইত্যাদি বিষয়বোৰৰ ওপৰতো বহুতৰ চকু আছিল। উদাহণস্বৰূপে এক

অধ্যয়নে পাইছে যে বৰ্বৰতা প্ৰদৰ্শন কৰা চিনেমাবোৰৰ প্ৰতি ভিন্ন দৰ্শকৰ প্ৰতিক্ৰিয়া বেলেগ বেলেগ। এই বিভিন্ন প্ৰতিক্ৰিয়াবোৰ দৰ্শকৰ মনস্তাত্ত্বিক আৰু সাংস্কৃতিক ভিন্নতা ৰ ওপৰত নিৰ্ভৰ কৰে। এনেবোৰ কাৰণৰ ফলতেই গণ মাধ্যম অধ্যয়নৰ বাবে বিভিন্ন দৃষ্টিভংগীবোৰৰ আৰম্ভনি হৈছিল।

৮.৩ গণসংযোগ অধ্যয়নত মূলসুঁতিৰ দৃষ্টিকোণসমূহ

এটা সময়ত যেতিয়াই গৱেষকসকলে বুজি পালে যে বেলেগ বেলেগ দৰ্শকৰ গণ মাধ্যম (প্ৰচাৰ মাধ্যম) ৰ প্ৰতি থকা তেওলোকৰ প্ৰতিক্ৰিয়াসমূহো ভিন্ন, তেতিয়াই গৱেষকসকলে পোনপটীয়াকৈ কিছু কথা ভাবিবলৈ বা বিচাৰ কৰিবলৈ আৰম্ভ কৰিলে। এইসকল গৱেষকে গণমাধ্যমৰ মুলসুতিঁৰ দৃষ্টিভংগীসমূহ ৰ ধাৰণাবোৰ লৈ তেওলোকৰ অধ্যয়ন আগবঢ়াই নিলে। এই মুল্যাঙ্কনে কিছু সুত্ৰ আগবঢ়াই দিলে। সেইসমূহ হ'ল —

চিৰিঞ্জ-বেজী সুত্ৰ (The hypodermic needle theory) ঃ এই সুত্ৰমতে, যিদৰে ঔষধে বেমাৰী শৰীৰএটাৰ ওপৰত প্ৰভাৱ পেলায় ঠিক তেনেকৈ জনসাধাৰণৰ ওপৰত গণমাধ্যমৰ তাৎক্ষণিক আৰু আশ্চৰ্যজনকভাৱে প্ৰভাৱ থাকে।

মাধ্যমৰ দ্বি-পদক্ষেপ প্ৰভাৱ আৰ্হি (The two-step flow model of media influence) ঃ এই সুত্ৰটো ১৯৪০ ৰ সময়ছোৱাত প'ল লাজাৰ্চফেল্ড এ বিকাশ কৰিছিল। এই সুত্ৰই কয় যে গণমাধ্যমে ইয়াৰ বাৰ্তাসমূহ দুটা স্তৰত প্ৰচাৰ কৰে ঃ

১) আগ্ৰহী মাধ্যমৰ গ্ৰাহকে মাধ্যমসমূহে দিয়া বাৰ্তাসমূহ গ্ৰহণ কৰে (তেওলোক আলোচনী পঢ়া ব্যক্তি, বাতৰিৰ প্ৰতি দুৰ্বাৰ আসক্ত বা ফেচবুক ট্ৰ'ল সকলো হব পাৰে)

২) এই আগ্ৰহী গ্ৰাহকসমূহ লাহে লাহে মতামত দিব পৰা নেতা হয়গৈ আৰু তেওলোকেই এই বাৰ্তাসমূহ প্ৰচাৰ-প্ৰসাৰ কৰে।

সন্তুষ্টি আৰ্হি (The gratifications model) ঃ এই সুত্ৰমতে ব্যক্তি এজনে নিজা সমস্যাসমূহ সমাধানৰ বাবে মাধ্যমৰ বাৰ্তাসমূ হৰ নিজাকৈ এটা আকাৰ দিয়ে আৰু সেয়ে গুৰুত্ব দিয়ে।

গণ মাধ্যমৰ সীমীত প্ৰভাৱ সুত্ৰ (The limited effects theory of mass communication) ঃ এই সুত্ৰমতে এটা কথা নিশ্চিত যে বাৰ্তা প্ৰেৰণৰ ক্ষেত্ৰত গণমাধ্যমৰ বহুপৰিমাণে সীমীত ।

১৯৫০ চন মানত মুলসুতিঁৰ গৱেষকসকল মুলত তিনিটা বেলেগ বেলেগ সিদ্ধান্তত উপনীত হ'ল। সেই সিদ্ধান্তসমূহ আকৌ কেতিয়াবা ইটো সিটোৰ বিপৰীত। সেইবোৰ হ'ল—

গণমাধ্যমে মুল্যায়ন আৰু অনুশীলন আগবঢ়াই নিব পাৰে। উদাহৰণস্বৰূপে এক অধ্যয়নে দেখুৱাইছে যে টি.ভি ত অহৰহ দেখুৱাই থকা হিংস্ৰতাই দৰ্শকক অসংবেদনশীল কৰি প্ৰকৃত বীভৎসতা বা হিংস্ৰতাৰ ফাললৈ লৈ যায়।

যিসকলে মাধ্যমসমূহ পাবলৈ অসমর্থ বা ঢুকি নাপায়গৈ, তেওলোকৰ ক্ষেত্রত শিকিবৰ বাবে এক খুত বা ছিদ্র ৰৈ যায় আৰু নিশ্চিতভাৱে সেই শ্রেণীটো সামাজিক, আর্থিকভাৱে পিছপৰা। তাৰোপৰি, গণমাধ্যম এনে এক সজুলি য'ত প্রভাৱশালী আৰু সম্পদশালীসকলৰ প্রভাৱ থাকে।

গণমাধ্যমে সকলো লোকৰ মাজলৈ একেধৰণৰ বার্তা প্রেৰণ নকৰে। বৰঞ্চ এটা বিশেষ দর্শক গোটৰ শিক্ষা, উপার্জন, সংস্কৃতি আদিবোৰ কথাকহে কেন্দ্র কৰি বিভিন্ন বার্তাসমূহ পঠায়।

৮.৪ যোগাযোগ প্রভাৱ দৃষ্টিকোণ (Communication Effects Approach)

সাধাৰণতে মাধ্যমৰ প্রভাৱ তিনিটা বা চাৰিটা ঢাপ বা স্তৰ - এই আর্হিৰ ওপৰত গুৰুত্ব দিয়ে। প্রতিতো ঢাপতে মাধ্যমৰ কি প্রভাৱ - তাৎপর্যপূর্ণ প্রভাৱ নে কিঞ্চিত প্রভাৱ এই দুই বিষয়ৰ ওপৰত গুৰুত্ব দি বাখ্যা কৰা হয়। প্রত্যেকতো ঢাপৰে সীমাও খুউব স্পষ্ট নহয়। কিন্তু মুটামুটিকৈ তিনিওটা ঢাপৰে কিছু মিল দেখা যায়। যেনে মাধ্যমৰ প্রযুক্তিগত উন্নয়ন (developing media technologies), সাংস্কৃতিক পৰিৱেশ, বিভিন্ন পদ্ধতি, প্রেক্ষাপট, চিন্তাধাৰা আদিবোৰ সকলো ঢাপৰ গৱেষকে ব্যৱহাৰ কৰে। প্রাথমিক ঢাপতো যিটো আছিল বিশাল প্রভাৱ ঢাপ (a huge effects stage) ১৯২০ আৰু ১৯৩০ ৰ দশকত আৰম্ভ হয়। ই নিয়মিতভাৱে magic bullet (একধৰণৰ গুণাগুণসম্পন্ন ঔষধ) বা চিৰিঞ্জ-বেজী (hypodermic needle) উপস্থাপনবোৰক একত্রিত কৰে যেন বার্তাবাহকে দর্শকক বার্তাসমূহ দিছে আৰু আৰু দর্শকৰ ওপৰত ওপৰত ইয়াৰ প্রভাৱ পৰিছে। এই প্রাথমিক ঢাপত কোৱা হৈছে যে, প্রেছ, ৰেডিঅ', চিনেমা আদিৰ ব্যাপক উপস্থিতিত সেইসমূহে আমাৰ দৈনন্দিন জীৱনত অনাধিকাৰ প্রৱেশ কৰিছে । আৰু একেসময়তে মাধ্যমবোৰক বাঃ বাঃ ও দিয়া হৈছে এইবুলি যে কোনো সিদ্ধান্ত নির্মান, মানুহৰ আচাৰ ব্যৱহাৰ আদিত মাধ্যমসমূহৰ ব্যাপক প্রভাৱ আছে আৰু মাধ্যমসমূহ ক্ষমতাশালীও। সেই সময়ত চিনেমা, ৰেডিঅ' আদিৰ বর্দ্ধিত প্রসাৰে এইসমূহ মাধ্যমে সমাজখনক কি কৰিব পাৰে সেই লৈ এই ঢাপটোত গৱেষকসকল আৰু স্থানীয় লোক যথেষ্ঠ সচেতন আছিল । প্রথম বিশ্বযুদ্ধৰ সময়ত উদ্দেশ্যপ্রণোদিত প্রচাৰে এনেবোৰ চিন্তাক আৰু বৃদ্ধি কৰিছিল। সেই সময়ছোৱাত মাধ্যমৰ প্রভাৱ সর্ম্পকে কৰা আলোচনাত, হাৰল্ড লেচৱেলক এজন মুখ্য চিন্তক হিচাপে ধৰা হয়। লেচৱেলে, ফ্রয়েডৰ মনোবৈজ্ঞানিক চিন্তা, ব্যৱহাৰবাদ (pragmatism) আৰু ৰাজনীতি বিজ্ঞান আদিৰ বিতর্কসমূহ লৈ মন্তব্য কৰিছিল যে উদ্দেশ্যপূর্ণ প্রচাৰৰ দ্বাৰা সংখ্যালঘুৱেও সমাজ আৰু ৰাইজক নিয়ন্ত্রণ কৰিব পাৰে।

যি সময়ত এইবোৰ সুত্র গঢ় লৈ উঠিছিল ১৯৩০ দশকত এক দ্বিতীয় আৰু নগণ্য কিন্তু প্রগতিশীল ঢাপ এটাও আৰম্ভ হৈছিল। গণসংযোগৰ সুত্রত বাস্তৱসম্মত, বৈজ্ঞানিক পদ্ধতিৰ বিকাশৰ দ্বাৰা এই পর্যায়টোক পৃথক কৰা হৈছিল। এক বাস্তৱসম্মত তথা পৰিশীলিত অধ্যয়নে আৰু পৰীক্ষা-নিৰীক্ষাই গৱেষকৰ পূর্বানুমানৰ সম্পর্কে সন্দেহ জগাই তুলিলে। এই পর্যায়ত, স্বতন্ত্র (ব্যক্তি) প্রভাৱ সুত্রই (individual influence) মাধ্যমৰ প্রভাৱ সুত্রক বৈশিষ্টযুক্ত কৰিলে।

লাজার্চফিল্ডৰ ছাত্র জোচেফ ক্লেপাৰে (১৯৬০) এই পর্যায়ৰ সুত্রৰ কাম শেষ কৰিছিল। তেও মন্তব্য দিছে যে গণসংযোগৰ প্রভাৱ কেৱল একধৰণৰ প্রৱণতা নির্মাণতহে, দর্শকক পোনপটীয়াকৈ ই প্রভাৱ পেলাব পৰা নাই। গৱেষকসকলে, এই পর্যায়ত মাধ্যমৰ উন্নয়ন আৰু জনতাৰ প্রতিক্রিয়াৰ মাজত সুষম অথবা তাৎক্ষণিক সংযোগ নাই বুলি উল্লেখ কৰিছে। মাধ্যমৰ প্রভাৱ সম্পর্কে যিমানেই অধ্যয়ন বাঢ়িব লাগিল, লগতে এইবোৰ অধ্যয়নত বৈজ্ঞানিক পদ্ধতিসমূহৰ ব্যৱহাৰে এটা কথা সিদ্ধ কৰিলে যে প্রথম অৱস্থাত যিদৰে মাধ্যমৰ প্রভাৱ তাৎক্ষণিক বুলি ভবা হৈছিল কথাটো ঠিক তেনে নহয়। এই দৃষ্টি ভংগীটোক সীমীত প্রভাৱ আৰ্হি বুলি জনা যায়।

তৃতীয় পর্যায়টো দ্বিতীয় বিশ্বযুদ্ধৰ পিছত টি.ভি ৰ বর্দ্ধিত ক্ষেত্রখনৰ লগত জড়িত। যদিও এইসময়ত লেচৱেল আৰু তেওৰ সহকর্মীসকলৰ সুত্রবোৰলৈ ঘূৰি যোৱাতো সম্ভৱপৰ বা ব্যবহাৰিক নাছিল, কিন্তু মাধ্যমৰ দীর্ঘস্থায়ী প্রভাৱবোৰ কি সেই কথা অনুসন্ধান কৰাটো প্রয়োজনীয় আছিল। মাধ্যমৰ সামগ্রিক পৰিৱর্তনৰ ফলত মাধ্যম প্রভাৱ সুত্রই সেয়ে পোনপটীয় প্রভাৱ আৰ্হিতো লয়। পিছলৈ সপির্ল নিৰৱতা সুত্রৰ (spiral of silence theory) বিকাশ হৈছিল যিটো পর্যায় গৱেষকসকলৰ বাবে "আশ্বর্যজনক গণসংযোগৰ আগমন" বিশ্লেষণতো প্রয়োজনীয় আছিল। এই পর্যায়ত ১৯৫০-৬০ৰ দশকত টিভি ৰ আগমনে এক আচর্যকৰ মাধ্যম হিচাপে আত্মপ্রকাশ কৰে। এই গৱেষকসকলে অধিক অনুভৱী, মনোবৈজ্ঞানিক ভিত্তিক ৰণনীতিৰে, আৰু দীঘলীয়া সময়ৰ বাবে মাধ্যমৰ প্রভাৱ বিচাৰ কৰিবলগা সমর্থিত কৌশলবোৰ ঠিক কৰি পেলালে আৰু তাকেই সামগ্রিক প্রভাৱৰ ৰূপত চালে।

১৯৯০ ৰ দশকৰ পৰা এটা সম্ভৱনাময় চতুর্থ পর্যায়ৰ আৰম্ভনি হ'ল। এই পর্যায়টোৱে মাধ্যমৰ সামান্যতম প্রভাৱ আৰ্হিৰ উপস্থিতিৰ কথা কয় আৰু ব্যতিক্রমীভাৱে গঠনমুলক আৰ্হিৰ উপস্থাপন কৰে। এই সময়ত মাধ্যমৰ প্রভাৱ অধ্যয়নত একধৰণৰ সমানতাবাদী দৃষ্টিভংগী ধাৰণাই স্থিতি লাভ কৰে। এই দৃষ্টিভংগীক সামাজিক গঠনবাদী দৃষ্টিভংগী বুলিও কোৱা হয়। এই দৃষ্টিভংগীয়ে যুক্তি দিয়ে যে বহুখিনি কামৰ ভিতৰত মাধ্যমবোৰে আচঁল পৃথিৱীখনৰ বিকাশ কৰে বুলি দাবী কৰে যদিও জনসাধাৰণে মাধ্যমবোৰৰ এই ধাৰণাক গ্রহণ কৰিব নে নাই তাক নিজাকৈ ঠিক কৰে। সমসাময়িক বহু তাত্বিকে মাধ্যমৰ প্রভাৱ সম্পর্কে তিনিতা পর্যায়ৰ কথাহে কয়। মাধ্যমৰ প্রভাৱৰ ঐতিহাসিক পটঁ ভূমি এতিযাও এক প্রত্যাহ্বানমুলক বিষয়। কিয়নো নতুন সুত্র আৰু কৌশলবোৰে গৱেষকসকলৰ পুৰণি সিদ্ধান্ত তথা অনুসন্ধানসমূহক প্রশ্নৰ আওতালৈ লৈ আহে।

গৱেষকসকলে প্রগতিশীলভাৱে মাধ্যম প্রভাৱ সুত্রৰ বিভিন্ন বিকল্প আৰ্হিৰ বিকাশ কৰিছে, যাতে পর্যায় আৰ্হিৰ বিভিন্ন চক্রবোৰ সম্পর্কে সন্দেহ বৃদ্ধি কৰিব পাৰি। লেং আৰু লেঙে (১৯৯৩) পর্যায় আৰ্হিৰ বিৰোধীতা কৰিছে আৰু এনে এটা আৰ্হিৰ কথা কৈছে যিটোৱে সন্মিলিত প্রভাৱৰ কথা অনুসন্ধআন কৰিব পাৰে। পার্চে (২০০১) মাধ্যমৰ চাৰিটা প্রভাৱৰ ওপৰত ভিত্তি কৰি এক বিকল্প আৰ্হিৰ কথা উল্লেখ কৰিছে ঃ পোনপটীয়া, চর্তসাপেক্ষে, ক্রমবর্দ্ধিত, সজ্ঞানাত্মক

ব্যৱহাৰ (direct, conditional, cumulative, and cognitive transactional) । পাৰ্ছৰ আৰ্হিয়ে মাধ্যমৰ বিষযবস্তুৰ কাৰক আৰু দৰ্শকৰ কাৰকৰ আদান-প্রদানক পৰিষ্কাৰকৈ বুজাত সহায় কৰে যিয়ে বিভিন্ন সময়ক কমকৈ গুৰুত্ব দিয়ে। নিউমেন আৰু গুগেনহেমে ৫০ বছৰৰ যোগাযোগ বা গণসংযোগৰ গৱেষণাক অধ্যয়ন কৰি যুকিত দিছে যে মাধ্যমৰ প্রভাৱ বিভিন্ন পর্যায়ত নহয় বৰং ছটা ক্ষেত্রৰ সুত্রহে। নেৰানেপেৰাকৈ লাগি থকা সুত্র (persuasion theories), সজাগ দর্শক সুত্র (active audience theories), সামাজিক প্রসংগ সুত্র(social context theories) , বাখ্যাত্মক প্রভাৱ সুত্র (interpretive effects theories), সামাজিক আৰু মাধ্যম সুত্র (societal and media theories) আৰু নব্য মাধ্যম সুত্র , and new media theories)। এই সুত্রৰ ক্ষেত্রখিনিয়ে গণমাধ্যমৰ গৱেষণা কৰা বিভিন্ন দৃষ্টিভংগীবোৰ সামৰি লয়।

৮.৫ গণমাধ্যম আৰু আধুনিকীকৰণ

তৃতীয় বিশ্বত যোগাযোগৰ ক্ষেত্রত থকা বহুখিনি উন্নয়নমুলক লিখা-মেলা মুলতঃ আধুনিকীকৰণ সুত্রৰ লগত জড়িত। সুক্ষ্মভাৱেই হওক বা বহল পৰিসৰতে হওক, যোগাযোগক আর্থিক বিকাশ আৰু বৃদ্ধি হিচাপে চোৱা হয়। বহল পৰিসৰত, গণসংযোগৰ অধ্যয়নকাৰীসকলে, প্রচাৰ মাধ্যমৰ বিকাশ আৰু তথ্য উদ্ভাৱনৰ সামগ্রী (যেনে - সংবাদ, প্রচাৰ, উদ্দীপনা, আৰু তথ্য) আৰু উপকৰণক উৎসাহিত কৰা- এই দৃষ্টিভংগীক তেওলোকে তৃতীয় বিশ্ব ৰ বিকাশক গতিশীল তথা বিশ্ব অর্থনীতিতো সহায়ৰ বাবে জৰুৰী বুলি গণ্য কৰিছিল। সূক্ষ্ম পৰিসৰত, গৱেষকসকলে প্রভাৱশালী বিজ্ঞাপনৰ যুজঁখন (উদাহৰণস্বৰূপে অঞ্চল এটাত, কৃষিব্যৱসায়, জনসাধাৰণ আৰু কল্যাণ) মাধ্যমবোৰে চলাই থাকিল পৰম্পৰাগতভাৱে থকা মানুহখিনিক আৰু সামাজিক অর্ডাৰ বা ব্যৱস্থা টোক (social orders)সলাই পেলাৱ পৰা যায় বুলি ভাৱে। সেয়েহে ১৯৫০ ৰ দশকৰ পৰা, য'ত মাধ্যমৰ প্রান্তীয় যোগাযোগ (networks)ৰ ক্ষেত্রখন আধুনিকীকৰণ কৰা কামটোত গ্রামীণ সমাজতাত্বিকসকলৰ প্রভাৱ আছিল; ৰাজনৈতিক গৱেষক, অর্থনৈতিক বিশ্লেষক, আৰু সামাজিক মনোবিজ্ঞানীসকলে ব্যপকভাৱে গণমাধ্যমৰ উপাদানসমূহ প্রচাৰ কৰি বিকাশশীল (developing) দেশসমূহত তাৰ প্রভাৱৰ অনুমান আৰম্ভ কৰিলে। আধুনিকীকৰণ সম্পর্কীয় গৱেষণা আৰু লেখামেলাসমূহত, উৎস আৰু গ্রাহক (source and receiver) ৰ মাজত যোগাযোগৰ যি বিনিময়ৰ সেয়া অসম্ভৱ দেখা গৈছিল। ই একধৰণৰ সামাজিক গাঠনি (social framework) ৰ কিছু সামাজিক দক্ষতাক (social capacities)হে সন্তুষ্টি প্রদান কৰে। এনে প্রেক্ষাপটত , তৃতীয় বিশ্বলৈ তাৰ পৰিপূর্ণতা দিবলৈ গণমাধ্যমে একপ্রকাৰ প্রতিনিধি হিচাপে প্রৱেশ কৰিলে। গণমাধ্যমৰ (প্রচাৰ মাধ্যমৰ) বৃহৎ পৰিসৰৰ এই বিশ্লেষণৰ উপৰিও, গৱেষকসকলে মাধ্যমৰ প্রভাৱ তথা ইয়াৰ আর্হিবোৰৰ সম্পর্কেও চিন্তা-চর্চা আৰম্ভ কৰিলে। কিধৰণেৰে সমাজখন পৰম্পৰাগত অৱস্থাৰ পৰা আধুনিক অৱস্থালৈ উন্নীত হয় তাৰ বাবে তেওলোকে জনসাধাৰণৰ সামাজিক-মনস্তাস্তিক দিশবোৰক মুখ্য হিচাপে ল'লে।

ডেনিয়েল লার্নাৰে তেওৰ "The Passing of the Traditional Society" কিতাপখনত প্ৰাথমিক অৱস্থাৰ গণমাধ্যম আৰু আধুনিকীকৰণ দৃষ্টিভংগী সম্পৰ্কে তাৎপৰ্যপূৰ্ণ কথা কিছুমান উল্লেখ কৰিছে। তেওৰ আৰ্হিটোৱে পছিমীয়া য়ুৰোপ আৰু উত্তৰ আমেৰিকাৰ সমাজখন পৰম্পৰাগত বা সামন্তীয় অৱস্থাৰ পৰা আধুনিক তথা মিলিটাৰী-উদ্যোগপ্ৰধান হোৱাৰ কথাসমূহ বাৰে বাৰে উল্লেখ কৰিছে। তেওৰ সামাজিক উন্নয়ন আৰ্হিটোৰ ভাগসমূহ হ'ল- ক) সমাজৰ একশ্ৰেণীৰ মানুহ যিসকলে মনস্তাত্ত্বিকভাৱে তেওৰ জীৱনত বা সমাজত হঠাৎ হোৱা পৰিৱৰ্তনসমূহ গ্ৰহণ কৰিবলৈ সাজু বা উন্মুখ খ) এক সৰ্বোচ্ছ গণমাধ্যমৰ কাঠামো এটাই যিয়ে নতুন চিন্তা আৰু গুণৰে আধুনিকীকৰণৰ বাবে সমাজ আৰু ব্যক্তি এজনক পৰিবৰ্তন ত্বৰান্বিত কৰে গ) আধুনিক পছিমীয়া ধৰণৰ সমাজ এখন নিমাৰ্নৰ বাবে নগৰীকৰণ, শিক্ষা, মাধ্যম উপস্থাপনৰ লগত আৰ্থিক আৰু ৰাজনৈতিক নিৰেশৰ তাৎপৰ্যপূৰ্ণ দিশবোৰৰ সম্বন্ধ ঘটায়।

পৰম্পৰাগত সমাজক অ-অংশগ্ৰহণকাৰী সমাজ বুলি গণ্য কৰা হয়। শ্ৰমৰ বিভাজন, চহৰ-গাও বিভাজন নথকা এনে ব্যৱস্থাত ব্যক্তিসকলৰ নেটৱৰ্কত পাৰিবাৰিক সম্পৰ্কই প্ৰভাৱ পেলাইছিল আৰু ইজনে-সিজনক আতৰাঁই ৰাখিছিল। ব্যক্তিসকলৰ দৃষ্টিভংগী তেওলোকৰ ভৌগলিক বা ভৌতিক দিগন্তৰ বাবে সীমাবদ্ধ হৈছিল আৰু সেয়ে তেওলোকৰ বাচনিত এক জ্ঞাত পৰিস্থিতিত সুপৰিচিত ব্যক্তিক অন্তৰ্ভুক্ত কৰে। অন্যহাতে আধুনিক সমাজব্যৱস্থাত ব্যক্তিসকলে উচিত প্ৰশিক্ষণৰ দ্বাৰা অভিজ্ঞতা লাভ কৰে। তেওলোক বাতৰি কাকত পঢ়ে, তেওলোকৰ কামৰ বাবে মজুৰি পায় - সেয়া তেওলোকে সলনিও কৰিব পাৰে, মুক্ত বজাৰ এখনত আৰ্জিত টকা খৰছ কৰিব পাৰে, ভোট দিব পাৰে আৰু তেওলোকৰ জীৱনৰ লগত সম্পৰ্ক নথকা কিছুমান বিষয়তো মতামত দিব পাৰে। গৱেষকসকলে আধুনিক সমাজত কিধৰণৰ মনস্তাত্ত্বিক গঠনৰ ব্যক্তিৰ প্ৰয়োজন বা বিচাৰে তাকো চিহ্নিত কৰিছে তথা স্পষ্টকৈ কৈছে ঃ সহজকৈ মিলি বা চলি যাব পৰাধৰণৰ মানুহ (a portable character)। এনে ব্যক্তিক এই নতুন অংশবোৰৰ সৈতে তেওৰ নতুন এই অৱস্থা সম্পৰ্কে চিনি পাবলৈ বেছ সীমাবদ্ধতা আনি দিয়া হ'ল আৰু লগতে বৃহৎ সমাজে দাবী কৰা বিষয়বোৰকো নৎসাৎ কৰা হ'ল।

পৰিশেষত, এনে ব্যক্তি যথেষ্ঠ সহানুভুতিশীল আছিল। সহমৰ্মিতা হ'ল এজন ব্যক্তিয়ে পোৱা দুখ যেন তেও নিজেই পাইছে সেই অনুভৱ। লার্নাৰে কৈছে যে সহানুভুতিশীলতাই দুটা বিশেষ কাৰ্য সমাপন কৰে। প্ৰথমতে ই ব্যক্তি এজনক আধুনিক সমাজত কাম কৰাৰ বাবে সৱলীকৰণ কৰে, যিটো আছিল সদায় পৰিৱৰ্তনৰ এক লক্ষণ। দ্বিতীয়তে সমাজ এখনক সামন্তীয় অৱস্থাৰ (যি ভূমিৰ মালিকীস্বত্ব, কুটুম্বিতাৰ ওপৰত আধাৰিত উচ্চ-নীচ আদিৰ ওপৰত প্ৰতিষ্ঠিত) পৰা জনসাধাৰণক প্ৰয়োজনীয় ব্যৱসায়িক অৰ্থনীতিৰ দিশে নি সমাজখনক আগুৱাই লৈ যোৱাৰো এক মুলমন্ত্ৰ। কেৱল পৰিৱৰ্তনক আকোৱালিয়েই নহয় বৰঞ্চ আৰু আশা কৰি বা ইয়াৰ দাবী কৰি সহানুভুতিয়ে ব্যক্তিক আধুনিকীকৰণৰ প্ৰক্ৰিয়াসমূহক লুকু ৰাবলৈকো সক্ষম কৰি তুলিলে। লার্নাৰৰ আৰ্হিৰ দ্বিতীয় উপাদান হ'ল গণমাধ্যম। গণমাধ্যমে এক বিশেষধৰণৰ কাম কৰিলে- ই ব্যক্তিক নতুন জনসাধাৰণ, তেওলোকৰ চিন্তা-ভাৱনা আদিৰ লগত পৰিচয় কৰাই দি আধুনিকীকৰণ

খৰকটীয়া কৰিলে। পছিমত, বিশেষকৈ আমেৰিকা আদিত শাৰিৰীক ভ্ৰমনৰ লগতে বহুধৰণৰ ৰহস্যময়তাৰ আৰম্ভনি হয়। এইধৰণৰ শাৰিৰীক বা ভূতাত্বিক বিকাশৰ তাৎপর্য এয়ে যে, বহু ব্যক্তিয়ে নিজকে তেওলোকতকৈ বেলেগ, তেওলোকৰ ঠাইত, যি বেলেগ বেলেগ পৰিৱেশত থাকে তেওলোকৰ ঠাইত নিজকে কল্পনা কৰিলে । গণমাধ্যমৰ বিকাশে এই প্ৰক্ৰিয়াক আৰু ত্বৰান্বিত কৰিলে। গণমাধ্যমৰ আৰম্ভনিয়ে বিভিন্ন ঠাইলে বিভিন্ন বাহনেৰে যোৱাৰ যি ৰহস্যময়ী অভিজ্ঞতা তাৰ অভিজ্ঞতাৰ এক নকল দশৰ্কে লাভ কৰিলে। একেসময়তে গণমাধ্যমবোৰ আধুনিকীকৰণৰ এক তাযপর্যপূর্ণ বাহক বা প্ৰতিনিধি হৈ পৰিল। ব্যক্তিসকলে নতুন ঠাই, সংস্কৃতি, আচাৰ ব্যৱহাৰ সম্পর্কত তেওলোকৰ সহানুভুতি গণমাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিব পৰা হ'ল। বিছিন্ন পৰাম্পৰাগত মাধ্যমৰ বিপৰীতে আধুনিক গণমাধ্যমে আধুনিকীকৰণৰ বা বলাবলৈ সক্ষম হৈছিল। একেসময়তে গণমাধ্যমে আধুনিক পছিমীয়া সমাজত পোৱাধৰণৰে পৰম্পৰাগত সমাজৰ জীৱনৰ গাঠনিক উঘালি পেলাবলৈ সক্ষম, জীৱনৰ মান উন্নত তথা আচাৰ ব্যৱহাৰ পৰিৱর্তন কৰিবলৈ সক্ষম।

সেয়েহে গণমাধ্যমে আধুনিকীকৰণ তথা প্ৰভাৱশালী উন্নয়নৰ বাকধাৰাত এক সুচাংক তথা বাহক হিচাপে কাম কৰে। সামাজিক পৰিৱর্তন তিনিতা স্তৰত হয়। প্ৰথমটো যিটো অতি প্ৰয়োজনীয় সেয়া হ'ল নগৰীকৰণ। দ্বিতীয় স্তৰত সাক্ষৰতা হাৰ তাৎপর্যপূর্ণ ভাৱে বৃদ্ধি পায়। তৃতীয় স্তৰত নগৰীকৰণ; সাক্ষৰতা আৰু উদ্যোগীকৰণে বৃদ্ধিৰ লগে লগে আধুনিক গণমাধ্যমৰো ব্যাপক বিকাশ হয়। লার্নাৰে কৈছে যে সামাজিক এক অর্ডাৰত গণমাধ্যমে স্পষ্টকৈ বিকাশ লাভ কৰে। এনে প্ৰেক্ষাপটত গণমাধ্যমক সমাজ পৰিৱর্তনৰ এক তাৎপর্যপূর্ণ বাহক বুলি ক'ব পাৰি। গণমাধ্যমৰ লগত সাক্ষৰতা হাৰ বৃদ্ধিৰো এক আনুপাতিক সম্পর্ক আছে। শিক্ষিতসকলে গণমাধ্যমৰ বিকাশ ঘটায় যিয়ে সাক্ষৰতা বৃদ্ধিতো সহায় কৰে।

এনে বিকাশত ৰাজনৈতিক সমর্থনো বৃদ্ধি পালে বিশেষকৈ সকলো পছিমীয়া দেশত (যেনে বেলতৰ জৰিয়তে ভোট দিয়া)। মধ্য-প্ৰাচ্যত সংগৃহীত তথ্যসমূহে এই জল্পনা-কল্পনামূহে বিশেষ একো কোৱা নাই। কিন্তু লার্নাৰে কৈছে যে পছিমীয়া দেশবোৰত দেখাধৰণে ঐতিহাসিক বিকাশত এইধৰণৰ প্ৰক্ৰিয়াই এক আদর্শ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ Hypodermic Needle theory কি?

.....

প্ৰশ্ন নং ২ ঃ সন্তুষ্টি আৰ্হি (The gratifications model) কি?

.....

প্ৰশ্ন নং ৩ ঃ গণমাধ্যমৰ সীমীত প্ৰভাৱ সূত্ৰটো কি?

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৪০ চন মানৰ পৰা যোগাযোগৰ ক্ষেত্ৰত ন-ন বিভিন্ন মাধ্যমৰ সৃষ্টিয়ে, বিশাল জনগণক স্পৰ্শ আৰু সংযোগ কৰিব পৰাকৈ গণসংযোগৰ নতুন মাধ্যমসমূহ সফল হ'ল।
- এটা সময়ত যেতিয়াই গৱেষকসকলে বুজি পালে যে বেলেগ বেলেগ দৰ্শকৰ গণ মাধ্যম (প্ৰচাৰ মাধ্যম)ৰ প্ৰতি থকা তেওলোকৰ প্ৰতিক্ৰিয়াসমূহো ভিন্ন, তেতিয়াই গৱেষকসকলে পোনপটীয়াকৈ কিছু কথা ভাবিবলৈ বা বিচাৰ কৰিবলৈ আৰম্ভ কৰিলে। এইসকল গৱেষকে গণমাধ্যমৰ মুলসুতিঁৰ দৃষ্টিভংগীসমূহ ৰ ধাৰণাবোৰ লৈ তেওলোকৰ অধ্যয়ন আগবঢ়াই নিলে।
- পূৰ্বতে গণসংযোগক একধৰণৰ সজুঁলি হিচাপে ধৰা হৈছিল যাৰ জৰিয়তে বিভিন্ন ব্যক্তিক একগোট কৰি যাতে এটা দল তৈয়াৰ কৰিব পাৰি।
- Hypodermic needle theory সূত্ৰমতে, যিদৰে ঔষধে বেমাৰী শৰীৰএটাৰ ওপৰত প্ৰভাৱ পেলায় ঠিক তেনেকৈ জনসাধাৰণৰ ওপৰত গণমাধ্যমৰ তাৎক্ষণিক আৰু আশ্চৰ্যজনকভাৱে প্ৰভাৱ থাকে।
- সন্তুষ্টি আৰ্হি (The gratifications model) সুত্ৰমতে ব্যক্তি এজনে নিজা সমস্যাসমূহ সমাধানৰ বাবে মাধ্যমৰ বাৰ্তাসমূহৰ নিজাকৈ এটা আকাৰ দিয়ে আৰু সেয়ে গুৰুত্ব দিয়ে।
- গণ মাধ্যমৰ সীমীত প্ৰভাৱ সুত্ৰ (The limited effects theory of mass communication) ঃ এই সুত্ৰমতে এটা কথা নিশ্চিত যে বাৰ্তা প্ৰেৰণৰ ক্ষেত্ৰত গণমাধ্যমৰ বহুপৰিমাণে সীমীত ।
- গণমাধ্যমে সকলো লোকৰ মাজলৈ একেধৰণৰ বাৰ্তা প্ৰেৰণ নকৰে। বৰঞ্চ এটা বিশেষ দৰ্শক গোটৰ শিক্ষা, উপাৰ্জন, সংস্কৃতি আদিবোৰ কথাকহে কেন্দ্ৰ কৰি বিভিন্ন বাৰ্তাসমূহ পঠায়।
- লেচৰেলে, ফ্ৰয়েডৰ মনোবৈজ্ঞানিক চিন্তা, ব্যৱহাৰবাদ (pragmatism) আৰু ৰাজনীতি বিজ্ঞান আদিৰ বিতৰ্কসমূহ লৈ মন্তব্য কৰিছিল যে উদ্দেশ্যপূৰ্ণ প্ৰচাৰৰ দ্বাৰা সংখ্যালঘুৱেও সমাজ আৰু ৰাইজক নিয়ন্ত্ৰণ কৰিব পাৰে।
- পার্চে (২০০১) মাধ্যমৰ চাৰিটা প্ৰভাৱৰ ওপৰত ভিত্তি কৰি এক বিকল্প আৰ্হিৰ কথা উল্লেখ কৰিছে ঃ পোনপটীয়া, চৰ্তসাপেক্ষে, ক্ৰমবৰ্দ্ধিত, সজ্ঞানাত্মক ব্যৱহাৰ (direct, conditional, cumulative, and cognitive transactional)। পাৰ্ছৰ আৰ্হিয়ে মাধ্যমৰ বিষযবস্তুৰ কাৰক আৰু দৰ্শকৰ কাৰকৰ আদান-প্ৰদানক পৰিষ্কাৰকৈ বুজাত সহায় কৰে যিয়ে বিভিন্ন সময়ক কমকৈ গুৰুত্ব দিয়ে।

- নিউমেন আৰু গুগেনহেমে ৫০ বছৰৰ যোগাযোগ বা গণসংযোগৰ গৱেষণাক অধ্যয়ন কৰি যুকিত দিছে যে মাধ্যমৰ প্ৰভাৱ বিভিন্ন পৰ্যায়ত নহয় বৰং ছটা ক্ষেত্ৰৰ সুত্ৰহে। নেৰানেপেৰাকৈ লাগি থকা সুত্ৰ (persuasion theories), সজাগ দৰ্শক সুত্ৰ (active audience theories), সামাজিক প্ৰসংগ সুত্ৰ (social context theories), বাখ্যাত্মক প্ৰভাৱ সুত্ৰ (interpretive effects theories), সামাজিক আৰু মাধ্যম সুত্ৰ (societal and media theories) আৰু নব্য মাধ্যম সুত্ৰ , and new media theories)। এই সূত্ৰৰ ক্ষেত্ৰখিনিয়ে গণমাধ্যমৰ গৱেষণা কৰা বিভিন্ন দৃষ্টিভংগীবোৰ সামৰি লয়।
- ডেনিয়েল লার্নাৰে তেওৰ "The Passing of the Traditional Society" কিতাপখনত প্ৰাথমিক অৱস্থাৰ গণমাধ্যম আৰু আধুনিকীকৰণ দৃষ্টিভংগী সম্পৰ্কে তাৎপৰ্যপূৰ্ণ কথা কিছুমান উল্লেখ কৰিছে।
- লার্নাৰৰ আৰ্হিটোৱে পছিমীয়া য়ুৰোপ আৰু উত্তৰ আমেৰিকাৰ সমাজখন পৰম্পৰাগত বা সামন্তীয় অৱস্থাৰ পৰা আধুনিক তথা মিলিটাৰী-উদ্যোগপ্ৰধান হোৱাৰ কথাসমূহ বাৰে বাৰে উল্লেখ কৰিছে।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Bryant, J., & Zillmann, D. (Eds.). (2009).Media effects: Advances in theory and research. Mahwah,NJ: Erlbaum.
2. Rogers, E. M. (1976). Communication and Development-The Passing of the Dominant Paradigm. Communication and Development: Critical Perspectives. Rogers (ed.). Beverly Hills: Sage Publications. pp. 121-148.



৮.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ Hypodermic needle theory এই সুত্ৰমতে, যিদৰে ঔষধে বেমাৰী শৰীৰএটাৰ ওপৰত প্ৰভাৱ পেলায় ঠিক তেনেকৈ জনসাধাৰণৰ ওপৰত গণমাধ্যমৰ তাৎক্ষণিক আৰু আশ্চৰ্যজনকভাৱে প্ৰভাৱ থাকে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ সন্তুষ্টি আৰ্হি (The gratifications model) এই সুত্ৰমতে ব্যক্তি এজনে নিজা সমস্যাসমূহ সমাধানৰ বাবে মাধ্যমৰ বাৰ্তাসমূহৰ নিজাকৈ এটা আকাৰ দিয়ে আৰু সেয়ে গুৰুত্ব দিয়ে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ গণ মাধ্যমৰ সীমীত প্ৰভাৱ সুত্ৰ (The limited effects theory of mass communication) ঃ এই সুত্ৰমতে এটা কথা নিশ্চিত যে বাৰ্তা প্ৰেৰণৰ ক্ষেত্ৰত গণমাধ্যমৰ বহুপৰিমাণে সীমীত।



৮.৯ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ গণসংযোগৰ অধ্যয়নত মুলসুতিৰ দৃষ্টিভংগীসমুহৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ লাৰ্নাৰৰ সামাজিক বিকাশ আৰ্হিটোৰ বিষয়ে চমুকৈ লিখক।

ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ আধুনিকীকৰণত গণমাধ্যমৰ ভুমিকা সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ২ ঃ যোগাযোগ প্ৰভাৱ দৃষ্টিভংগী কি?

*** ***** ***